ধ্বনি সংশ্লিষ্ট, অৰ্থাৎ এক মাত্ৰাৰ

| || | || | | | | || ||
শোকৰ্ সংগীত সিটি। বিষাদৰ্ সুৰ্।

যুগ্ম ধ্বনিৰ এই মিশ্ৰ ব্যৱহাৰৰ বাবেই এই ছন্দৰীতিক যৌগিক আখ্যা দিয়া হৈছে। এয়েই আমাৰ সুপ্ৰচলিত পয়াৰ জাতীয় ছন্দ আৰু অক্ষৰবৃত্ত নামেৰেও ই প্ৰচলিত। ইয়াৰ সাৱলীলতাৰ বাবেই অমিত্ৰাক্ষৰ আদি ছন্দসজ্জা সম্ভৱ হৈছে। 'পদ' নামৰ আমাৰ চৈধ্য মাত্ৰাৰ পংক্তিৰ ছন্দসজ্জাতেই প্ৰবহমানতা যোগ কৰি এই ছন্দসজ্জা পোৱা যায়, অৰ্থাৎ ভাবমূৰ্তি বা ছেদে ছন্দোযতি লংঘন কৰি এটা পংক্তিৰ পৰা আন এটালৈ গতি কৰে আৰু আবৃত্তিৰ বেলিকা ছেদেই বহুক্ষেত্ৰত যতিৰ মূল্য লাভ কৰে। পংক্তিসমূহত চৈধ্য মাত্ৰাতকৈ কমকৈ সজ্জিত কৰিলে তাক 'ছিন্ন অমিতাক্ষৰ' বোলা হয়, কিন্তু দৰাচলতে সি একপ্ৰকাৰ 'মুক্তক'হে।

**স্বৰ-বৃত্ত** ঃ এইটো আমাৰ লৌকিক ছন্দৰীতি। ইয়াত ধ্বনি আশ্ৰিত স্বৰকেই প্ৰাধান্য দিবলগীয়া হয়। সেইবাবেই বহুতে ইয়াক স্বৰমাত্ৰিক নামেৰেও অভিহিত কৰে আৰু তেতিয়াহ'লে যুগ্ম অযুগ্ম নিৰপেক্ষে ইয়াৰ সকলো ধ্বনি এক মাত্ৰাৰ বুলি ধৰিবলগীয়া হয়। ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল ঃ (১) প্ৰত্যেক পৰ্বতে চাৰিটাকৈ স্বৰাশ্ৰিত ধ্বনি থাকে। (২) একোটা পৰ্বত দুটাতকৈ অধিক অনুযতি নাথাকে। (৩) প্ৰত্যেক পৰ্বতে এটাকৈ প্ৰবল প্ৰস্বন অনুভূত হয় আৰু (৪) মাত্ৰাসাম্যৰ বাবে হ্ৰস্ব স্বৰো দীৰ্ঘ কৰি লবলগীয়া হয়। সাহিত্যৰ মাজলৈ এই ছন্দ আহিল লৌকিক গীত-মাত, খেল-ধেমালিৰ আওৱোৱা গীত আৰু চুবুৰীয়া বঙলা ভাষাৰ 'ছড়া'ৰ পৰা ঃ

|| || || | || || || | ||
এটি ঘৰত দুটি মাথোন দুটি মানুহ ধৰে

| || | || | | | |
ডাঙৰ দীঘল ভূনি মাৰা

| || | || ||
মূৰত ডাঙৰ পাগ।

কিন্তু ধ্বনিত মাত্ৰা সংস্থাপনৰ কোনো এটি সুস্থিৰ ৰীতি ইয়াত প্ৰয়োগ কৰিব নোৱাৰি; ধ্বনি সম্প্ৰসাৰণ আৰু সংকোচনেৰে ইয়াৰ পৰ্বগত মাত্ৰা পৰিমাণৰ সাম্য ৰক্ষিত হয়।

ইৰিকটি। মিৰিকটি। বাঁহৰ। শলা

[সম্প্ৰসাৰণ]

বগী বগী। ছোৱালী বিলাক। তোমালোকক দিম।

[সংকোচন]

আমাৰ ষণ্মাত্ৰিক (দুলড়ী ভিত্তিক) বিহুগীত আদিতো এনে সংকোচন দেখা যায়। খেল-ধেমালিৰ গীত আদি আওৰাওঁতেও ছেওটো ঠিক ৰাখিবৰ বাবে শব্দবোৰ কোচাই মেলি ছন্দৰ গতি সাবলীল কৰি ৰখা হয়। এনেদৰে সংকোচন আৰু সম্প্ৰসাৰণেৰে পৰ্বৰ অভ্যন্তৰৰ স্বৰৰ সংখ্যা চাৰিৰ ঘৰত ৰখাটো বিশৃংখল পদ্ধতি যেন লাগিব পাৰে, তেতিয়া শ্বাসাঘাত বা প্ৰস্বনৰ অৰিহণাটোৰ স্বীকাৰ কৰি ল'লে ধ্বনিগত বৈষম্যৰ ভালেখিনি মীমাংসা হয়। অলপ লক্ষ্য কৰিলেই দেখা যায় এই জাতীয় ছন্দৰ পৰ্বসমূহত অন্ততঃ একোটাকৈ প্ৰবল প্ৰস্বন অনুভূত হয়। এই প্ৰস্বনেই ইয়াৰ ধ্বনিগত বৈষম্য দূৰ কৰে। বহুতে সেইবাবে ইয়াক প্ৰস্বন-ভিত্তিক ছন্দ বুলিব খোজে।

এটি ঘৰত। দুটি মাথোন। দুটি মানুহ। ধৰে
লক্ষ্য কৰি। কোমল মুখৰ। হাঁহি।

ইৰিকটি। মিৰিকটি। বাঁহৰ শলা।।

স্বৰবৃত্তৰ আপাত বিশৃংখলাৰ সমাধাৰ বাবে তাৰ মাত্ৰিকৰূপ এটাৰো আলোচনাৰ প্ৰয়োজন। স্বৰবৃত্তৰ পৰ্বৰ চাৰিটা ধ্বনিৰ মাত্ৰাসংখ্যা দুই মাত্ৰা অধিক সম্প্ৰসাৰিত হৈ ছয়মাত্ৰা পায়গৈ আৰু ছটা মাত্ৰা সংকুচিত কৰি চাৰিটা ধ্বনিলৈ আনিব পাৰি। মাত্ৰাবৃত্ত আৰু স্বৰবৃত্তৰ পাৰ্থক্য এই পৰীক্ষাটোৰে ধৰিব পাৰি।

ইয়াৰ বাহিৰে মুক্তক নামেৰে এবিধ ছন্দসজ্জাৰ প্ৰচলন হৈছে আৰু স্পন্দিত গদ্যৰেও কাব্য ৰচনা কৰা হৈছে। ওপৰত আলোচনা কৰা তিনিওটা ৰীতিৰে মুক্তক ছন্দ সম্ভৱ; কাৰণ মুক্তক এটা ছন্দসজ্জাহে, ছন্দৰ ৰীতি বা প্ৰকাৰ নহয়। অসমপংক্তিক ছন্দসজ্জাই হ'ল মুক্তক ছন্দসজ্জা।

স্পন্দিত গদ্যত ভাবাবেগ উন্নীত কৰা গদ্য ব্যৱহৃত হয়, তাত নিয়মিত লয় নাথাকে কিন্তু ছেদৰ দ্বাৰা নিয়ন্ত্ৰিত ধ্বনিপুঞ্জ অৰ্থাৎ শব্দপুঞ্জৰ একপ্ৰকাৰ সম্পূৰ্ণ সংস্থাপনে সুখশ্ৰাব্য কৰি তোলে। ছন্দৰ আলোচনাত প্ৰস্ফুট ছন্দ বুলি দুটা বহল শ্ৰেণী বিভাগ কৰি লৈ গদ্যছন্দক অস্ফুট আৰু বাকী নিয়মিত লয়যুক্ত ছন্দসমূহক প্ৰস্ফুট ছন্দ আখ্যা দিব পৰা যায়। গদ্যছন্দক ৰবীন্দ্ৰনাথে গানৰ আলাপৰ লগত তুলনা কৰিছে। আলাপত যিদৰে সুৰটো থাকে কিন্তু তাল-বিভাজন নাথাকে, সেইদৰে এই ছন্দত ধ্বনিপুঞ্জৰ একোটা বিশেষ সামগ্ৰিক সুষমা থাকে, কিন্তু নিয়মিত লয় নাথাকে।